**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 26-12-2025 **Time :** 1100 Hrs.

0000000000

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিত উদ্ভৱ হোৱা হিংসাত্মক পৰিস্থিতি সন্দৰ্ভত আজি প্ৰতিবাদকাৰী, কাৰ্বি স্বায়ত্তশাসিত পৰিষদ আৰু ৰাজ্য চৰকাৰৰ মাজত ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত হ'ব। দিছপুৰত মুখ্যমন্ত্ৰীৰ সৈতে হ'বলগীয়া এই বৈঠকত কাৰ্বি যুৱ নেতা লিটচন ৰংফাৰৰ নেতৃত্বত আন্দোলনকাৰী প্ৰতিনিধিবৰ্গ আৰু কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং উপস্থিত থাকিব। বৈঠকত স্বায়ত্ত শাসিত পৰিষদৰ ২৬ টা সমষ্টিত একোজনকৈ প্ৰতিনিধিও উপস্থিত থাকিব। মুখ্য কাৰ্যবাহী সদস্য ৰংহাঙে কালি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে আলাপ-আলোচনাৰ মাজেৰে খেৰণিৰ সমস্যা সমাধানৰ চেষ্টা চলোৱা হ'ব। বৈঠকত কাৰ্বি পাহাৰৰ দুয়োখন জিলাৰ পিজিআৰ আৰু ভিজিআৰ ভূমিত বেদখল উচ্ছেদৰ ব্যৱস্থা আৰু পদক্ষেপ সন্দৰ্ভত আলোচনা কৰা হ'ব।

*আজিৰ আলোচনা সন্দৰ্ভত এয়া আমাৰ পশ্চিম কাৰ্বি আংলঙৰ সংবাদদাতা টুটু কোঁৱৰ –*

বাইট

খেৰণিৰ পৰিস্থিতি ক্ৰমাৎ স্বাভাৱিক হৈছে। কালিৰ দিনটোত অঞ্চলটোত কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা নাই। সেনা-আৰক্ষীয়ে পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। বিগত দিনকেইটাত সৃষ্টি হোৱা আতংকময় পৰিস্থিতিৰ পাছত অঞ্চলটোলৈ ক্ৰমাৎ শান্তি ঘূৰি আহিছে। পৰিস্থিতি কিছু স্বাভাৱিক হোৱাত সাধাৰণ জীৱনযাত্ৰা আৰম্ভ হৈছে। অঞ্চলটোৰ দুই-এখন ব্যৱসায়িক প্ৰতিষ্ঠানো খোলা পৰিলক্ষিত হৈছে।

০০০০০০০

নলবাৰী জিলাৰ বেলশৰ থানাৰ অন্তৰ্গত পানীগাঁৱৰ ছেইণ্ট মেৰিজ ইংলিছ স্কুলত বৰদিন উদযাপনৰ সামগ্ৰী লণ্ড-ভণ্ড কৰা ঘটনাৰ সৈতে জড়িত চাৰিজন দুষ্কৃতিকাৰীক আটক কৰা হৈছে। অসম আৰক্ষীয়ে তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰি দুষ্কৃতিকাৰীসকলৰ বিৰুদ্ধে তদন্ত অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই ঘটনা সন্দৰ্ভত মন্তব্য কৰি কয়, যে ৰাজ্যজুৰি শান্তি-সম্প্ৰীতি বৰ্তাই ৰখাৰ লগতে সকলো প্ৰতিষ্ঠান আৰু নাগৰিকৰ সুৰক্ষা নিশ্চিত কৰিবলৈ চৰকাৰ সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০০০

দেশৰ অন্য অংশৰ লগতে অসমতো আজি বীৰ বাল দিৱস পালন কৰা হৈছে। শিখ ধৰ্মগুৰু গুৰু গোবিন্দ সিঙৰ পুত্ৰ বাবা জোৰাৱৰ সিং আৰু বাবা ফটেহ সিঙৰ সাহসিকতা আৰু বলিদানৰ সন্মানাৰ্থে এই দিৱস পালন কৰা হয়।

হোজাই জিলাৰ লংকাত শিখ ধৰ্মীয় লোকসকলৰ বাবা ফতেহ সিং সেৱা দলৰ উদ্যোগত সপ্তাহজোৰা কাৰ্য্যসূচীৰে গুৰুকা লংগৰ অনুষ্ঠিত হৈছে। ইয়াৰে অংশ হিচাপে জিলাখনৰ শিখ ধৰ্মাৱলম্বী লোকসকলে কাইলৈ পৰ্যন্ত লংগৰৰ আয়োজন কৰিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বীৰ বাল দিৱস উপলক্ষে গুৰু গোবিন্দ সিঙৰ পুত্ৰদ্বয়ৰ বীৰত্বৰ গাঁথা স্মৰণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে গুৰু গোবিন্দ সিঙৰ সু-পুত্ৰ দুগৰাকীয়ে অতি কম বয়সতে স্ব-ধৰ্ম আৰু মাতৃভূমিৰ ৰক্ষাৰ্থে অদম্য সাহসৰ পৰিচয় দিছিল।

০০০০০০০

ৰাজ্য চৰকাৰে চলিত বিত্তীয় বৰ্ষৰ আৰম্ভণিৰেপৰা সুচল ৰূপায়ণৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাপ্ৰাপ্ত আৰু কেন্দ্ৰীয় খণ্ডৰ বছা বছা আঁচনিৰ বাবে আগতীয়াকৈ পুঁজি মোকলাই দিয়াৰ অনুমতি প্ৰদান কৰি ২০২২ চনৰ বিত্তীয় ক্ষমতা আৰোপ নিয়মাৱলীৰ সংশোধন কৰিছে। বিত্ত বিভাগে জাৰি কৰা অধিসূচনা অনুসৰি সংবিধানৰ ১৬৬ নম্বৰ অনুচ্ছেদৰ ৩ নম্বৰ দফাৰ অধীনত এই সংশোধন কৰা হৈছে। কেন্দ্ৰীয় পৃষ্ঠপোষকতা প্ৰাপ্ত আঁচনি, কেন্দ্ৰীয় খণ্ডৰ আঁচনি আৰু কেন্দ্ৰীয় সংস্থাই পুঁজি যোগান ধৰা আঁচনিৰ ৰাজ্যিক অংশৰ ধনৰ ক্ষেত্ৰত এই সংশোধিত ব্যৱস্থা প্ৰযোজ্য হ'ব। সংশোধন অনুসৰি প্ৰশাসনিক অনুমোদন প্ৰয়োজন নোহোৱা আঁচনি বিশেষকৈ মধ্যাহ্ন ভোজন আঁচনি, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ আঁচনিৰ ক্ষেত্ৰত সংশ্লিষ্ট বিভাগে বিত্তীয় অনুমোদন জনাব পাৰিব। ৰাজ্য চৰকাৰে বিত্তীয় বৰ্ষৰ আৰম্ভণিতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অংশক সামৰি মুঠ বাজেটৰ ২৫ শতাংশ পৰ্যন্ত ধন মুকলি কৰিব পাৰিব।

০০০০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ পৰিদৰ্শন বঙলাত তিৱা জনগোষ্ঠীয় সংগঠনসমূহৰ লগত প্ৰশাসনৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত মন্ত্ৰী পীযুষ হাজৰিকাই সংগঠনসমূহৰ প্ৰতিনিধিবৰ্গৰ সৈতে পোনপটীয়াভাৱে মত বিনিময় কৰে। আলোচনাত সংগঠনসমূহে পূৰ্বে উত্থাপন কৰা বিভিন্ন দাবী আৰু সমস্যাৰ ওপৰত আলোকপাত কৰা হয়। বৈঠকত জিলা আয়ুক্ত অনামিকা তিৱাৰী, আৰক্ষী অধীক্ষক প্ৰকাশ সোণোৱাল আৰু জাগীৰোড সম-জিলাৰ আয়ুক্ত হৃদয় কুমাৰ দাস উপস্থিত থাকে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা সোমবাৰে নৱনিৰ্মিত জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰিব। উত্তৰ-পূৰ্বাঞ্চলৰ এই সৰ্ববৃহৎ প্ৰেক্ষাগৃহটোত একেলগে ৫ হাজাৰ লোকে বহা সুবিধা থাকিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে।

০০০০০০০

সদৌ অসম মইনা পাৰিজাতৰ অষ্টদশ দ্বিবাৰ্ষিক শিশু সমাৰোহ আজিৰে পৰা গোলাঘাটৰ পোৱাবাংলাত জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হ'ব। ২৯ ডিচেম্বৰলৈ হ'বলগীয়া এই সমাৰোহত ২৩ খন জিলাৰ ৭ হাজাৰ শিশুৱে অংশগ্ৰহণ কৰিব। আয়োজক সমিতিয়ে ইতিমধ্যে সমাৰোহৰ প্ৰস্তুতি সম্পন্ন কৰিছে বুলি আমাৰ সংবাদদাতাই জনাইছে। এই সমাৰোহত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা অংশগ্ৰহণ কৰাৰ কথা।

০০০০০০০০

**সমাপ্ত**